# অৰ্থনৈতিক উন্নয়নত চৰকাৰৰ ভূমিকা

## অৰ্থনীতি আৰু ৰাজনীতি খণ্ড

**প্ৰশ্ন ১। চমু উত্তৰ দিয়া—**

**( ক ) ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনিৰ জৰিয়তে দুখীয়া নিবনুৱাসকলে কি লাভ কৰিছে ?**

উত্তৰঃ ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনিৰ জৰিয়তে দৰিদ্ৰ নিবনুৱাসকলক জবকাৰ্ড প্ৰদান কৰা হৈছে । পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে গাঁও অঞ্চলত এই জবকাৰ্ড লাভ কৰা লোকৰ দ্বাৰা অন্যান্য কামৰ লগতে ৰাস্তা – ঘাট নিৰ্মাণ , মেৰামতি আদি কাম কৰিছে । তাৰ বিনিময়ত দুখীয়া নিবনুৱাসকলে মজুৰি লাভ কৰে ।

**( খ ) বৰ্তমান প্ৰাথমিক বিদ্যালয় গৃহসমূহ কোন আঁচনিৰ অধীনত নিৰ্মাণ কৰা হৈছে ?**

উত্তৰঃ বৰ্তমান প্ৰাথমিক বিদ্যালয় গৃহসমূহ সৰ্বশিক্ষা অভিযান মিছন আঁচনিৰ অধীনত নিৰ্মাণ কৰা হৈছে ।

**( গ ) স্বাস্থ্যবান ব্যক্তি বুলিলে কাক বুজায় ?**

উত্তৰঃ নিৰোগী আৰু কাৰ্যক্ষম ব্যক্তিক স্বাস্থ্যৱান ব্যক্তি বোলে ।

**( ঘ ) সৰ্বাত্মক শিক্ষাৰ উদ্দেশ্য কি ?**

উত্তৰঃ সৰ্বাত্মক শিক্ষাৰ উদ্দেশ্য হ'ল শাৰীৰিক আৰু মানসিকভাৱে প্ৰত্যাহ্বানযুক্ত শিশুসকলকো শিক্ষা ব্যৱস্থাৰ লগত সাঙুৰি লোৱা । শিক্ষাৰ অধিকাৰ আইন -২০০৯ ৰ অধীনত এই ব্যৱস্থা কৰা হৈছে ।

**প্ৰশ্ন ২। উত্তৰ লিখা**

**( ক ) আন্তঃগাঁথনিমূলক কাম কাজ মানে কি ? আমাৰ দেশৰ চৰকাৰে দেশৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে কি কি আঁচনি গ্ৰহণ কৰিছে ?**

উত্তৰঃ অৰ্থনৈতিক উন্নয়নৰ মৌলিক উপাদানসমূহ বজবুত কৰাৰ বাবে যি কাম কৰা হয় তাকেই আন্তঃগাঁথনিমূলক কাম বুলি কোৱা হয় ।

ৰাস্তা – ঘাট , দলং , গৃহ , যাতায়াত ব্যৱস্থা , যােগাযােগ ব্যৱস্থা , জলসিঞ্চন , খােৱা – পানী চিকিৎসালয় , বিদ্যালয় , বিজুলী যােগান , টেলিফোন সেৱা আদি অৰ্থনৈতিক উন্নয়ন মৌলিক উপাদান । এইবােৰকে আমি আন্তঃগাঁথনিমুলক কাম কাজ বুলি কওঁ ।

চৰকাৰে আন্তঃগাঁথনি উন্নয়নৰ বাবে ভালেমান আঁচনি গ্ৰহণ কৰিছে । উন্নয়নৰ এক উল্লেখনীয় বুনিয়াদ হৈছে যাতায়াত ব্যৱস্থা । ইতিমধ্যে চৰকাৰে চাৰিলেন যুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰিবলৈ লৈছে । প্ৰধানমন্ত্ৰীৰ গ্ৰামচড়ক যােজনাৰ অধীনত গাঁৱৰ ৰাস্তা ঘাটবােৰ পৰ্কীকৰণ কৰা হৈছে । ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়ােগ নিশ্চিতকৰণ আঁচনিৰ জৰিয়তেও জবকাৰ্ড দি দুখীয়া নিবনুৱা আদিক ৰাস্তা – ঘাট নিৰ্মাণ আৰু মেৰামতিৰ কামত লগাইছে । ৰাজ্যৰ প্ৰধান স্থানসমূহত আন্তঃৰাজ্যিক বাছ আস্থান প্ৰতিষ্ঠা কৰি যাতায়াত ব্যৱস্থা সুচল কৰিছে । ৰে'ল পথৰ সম্প্ৰসাৰণ , দ্ৰুত ৰে'লসেৱা প্ৰৱৰ্তন , নদীৰ ওপৰত সংযােগী দলং নিৰ্মাণ আদি উল্লেখযােগ্য পদক্ষেপ ।

আনহাতে শিক্ষাৰ অধিকাৰ আইন – ২০০৯ প্ৰৱৰ্তন কৰি জাতি , বৰ্ণ , ধৰ্ম , লিংগ নিৰ্বিশেষে ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ দেশৰ সকলাে শিশুৰ বাবে প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰিছে । সৰ্বশিক্ষা অভিযান মিছনৰ জৰিয়তে বিদ্যালয় ভাৱনবােৰ আকৰ্ষণীয়কৈ নিৰ্মাণ কৰা হৈছে । গ্ৰাম্য পানী যােগান আঁচনিৰ অধীনত গাঁও অঞ্চলত ভালেমান চিকিৎসালয় স্থাপন কৰিছে । জননী সুৰক্ষা যােজনাৰ অধীনত মাতৃ আৰু নৱজাত শিশুৰ কল্যাণৰ বাবে বহুতাে সা – সুবিধা প্ৰদান কৰিছে । ১০৮ নম্বৰত ফোন কৰি আকস্মিক চিকিৎসাৰ সুবিধা ল'ব পৰাৰ ব্যৱস্থা কৰিছে । কৃষিৰ ক্ষেত্ৰতাে চৰকাৰে ভালেমান আঁচনি গ্ৰহণ কৰিছে । এইদৰে চৰকাৰে আন্তঃগাঁথনি উন্নয়নৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে ।

**( খ ) যাতায়ত আৰু যােগাযােগ ব্যৱস্থাই দেশৰ উন্নয়ন কেনেদৰে অৰিহণা যােগায় তাক বহলাই আলােচনা কৰা ।**

উত্তৰঃ যােগাযােগ ব্যৱস্থাই আজি সমগ্ৰ বিশ্বত এক বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে । বিজ্ঞান – প্ৰযুক্তিৰ প্ৰভাৱত এই ব্যৱস্থা ইমানেই আধুনিক আৰু সক্ৰিয় হৈছে যে ঘৰত বহি নিমিষতে আমি পৃথিৱীৰ ইমূৰ – সিমূৰৰ বাতৰি পাবলৈ সক্ষম হৈছে । অসম চৰকাৰেও এইক্ষেত্ৰত যথেষ্ট দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে । বিদ্যালয়সমূহত ইণ্টাৰনেটসহ কম্পিউটাৰ প্ৰদানৰ আঁচনি গ্ৰহণ কৰিছে আৰু বহুখিনি কাৰ্যকৰী কৰিছে । ইতিমধ্যে গাঁও অঞ্চলত টেলিফোন সেৱা , কম্পিউটাৰ আৰু ইণ্টাৰনেট সেৱা সম্প্ৰসাৰণ কৰাৰ ব্যৱস্থা হাতত লৈছে । মুখ্যমন্ত্ৰীৰ অসম বিকাশ যােজনাৰ অধীনত শিক্ষাৰ ক্ষেত্ৰত

ভালেখিনি নতুন পদক্ষেপ গ্ৰহণ কৰিছে । উদাহৰণস্বৰূপে উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ – ছাত্ৰীসকলক লেপ্টপ প্ৰদান কৰিছে যাতে উন্নত যোগাযোগ সেৱাৰ  দ্বাৰা তেওঁলোক উপকৃত হয় । উন্নত যোগাযোগ ব্যৱস্থাই অনেক তথ্যৰ যোগান ধৰে , যাৰ ফলত মানুহে বহুতো দুৰূহ কাম সহজে সম্পন্ন কৰিব পাৰে । মুঠৰ ওপৰত মানৱ জাতিৰ উন্নতিত যোগাযোগ ব্যৱস্থাৰ অৱদান অতুলনীয় । সেয়েহে চৰকাৰে দেশৰ আৰু জনসাধাৰণৰ উন্নতিৰ গতি ক্ষিপ্ৰ কৰিবলৈ যোগাযোগ মাধ্যমসমূহক শক্তিশালী কৰাত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে ।

সেই উন্নত যাতায়াত ব্যৱস্থায়ো দেশৰ প্ৰগতিত বৰঙণি যোগাইছে । উন্নত যাতায়াত ব্যৱস্থা থাকিলে উদ্যোগ আদি প্ৰতিষ্ঠা কৰিবলৈ মানুহ আগ্ৰহী হয় । উন্নত যাতায়াত ব্যৱস্থাই দেশৰ ভিতৰুৱা অঞ্চলবোৰলৈ চৰকাৰী সা – সুবিধা প্ৰেৰণত সহায় কৰে । বস্তু আমদানি ৰপ্তানিত খৰতকীয়া হয় ।

**প্ৰশ্ন ৩। খালী ঠাই পূৰণ কৰা :**

**( ক ) ...........মানে কোনো কাৰ্য কৰিবৰ বাবে বুনিয়াদী আৰু অত্যন্ত আৱশ্যকীয় আগতীয়া কাৰিকৰী সংগঠন বা সা – সুবিধা যিবিলাকৰ অবিহনে ............. উন্নয়ন সম্ভৱ হ’ব নোৱাৰে ।**

উত্তৰঃ **অন্তঃগাঁথনি** মানে কোনো কাৰ্য কৰিবৰ বাবে বুনিয়াদী আৰু অত্যন্ত আৱশ্যকীয় আগতীয়া কাৰিকৰী সংগঠন বা সা – সুবিধা যিবিলাকৰ অবিহনে অৰ্থনৈতিক উন্নয়ন সম্ভৱ হ’ব নোৱাৰে ।

**( খ ) ..............বৃদ্ধি হোৱা মানে দেশ এখন ................. পথত অগ্ৰসৰ হোৱা ।**

উত্তৰঃ **ৰাষ্ট্ৰীয় আয়** বৃদ্ধি হোৱা মানে দেশ এখন উন্নতিৰ পথত অগ্ৰসৰ হোৱা

**( গ ) প্ৰধানমন্ত্ৰী .............. যোজনাৰ অধীনত গ্ৰামাঞ্চলৰ ৰাস্তা – ঘাটবোৰ .............কৰা হৈছে ।**

উত্তৰঃ প্ৰধানমন্ত্ৰী **গ্ৰামচড়ক** যোজনাৰ অধীনত গ্ৰামাঞ্চলৰ ৰাস্তা – ঘাটবোৰ পকীকৰণ কৰা হৈছে ।

**( ঘ ) সংবিধানে ..........শিক্ষাক শিশুৰ ............অধিকাৰ হিচাপে স্বীকৃতি দিছে ।**

উত্তৰঃ  সংবিধানে **প্ৰাথমিক** শিক্ষাক শিশুৰ মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিছে ।

**( ঙ ) ................ব্যৱহাৰে আমাৰ জীৱনবা◌েৰক যথেষ্ট .............আৰু উন্নয়নমুখী কৰি তুলিছে ।**

উত্তৰঃ **বিদ্যুতৰ** ব্যৱহাৰে আমাৰ জীৱনবা◌েৰক যথেষ্ট সুচল আৰু উন্নয়নমুখী কৰি তুলিছে ।

**প্ৰশ্ন ৪। প্ৰকল্প**

**তা◌েমাৰ অঞ্চলত চৰকাৰে কি কি ক্ষেত্ৰত আঁচনি গ্ৰহণ কৰি অৰ্থনৈতিক উন্নয়ন সাধন কৰাৰ চেষ্টা কৰিছে তাক তলত দিয়া ধৰণে তালিকাভুক্ত কৰা ।**

| **ক্ষেত্ৰ** | **চৰকাৰী আঁচনি** |
| --- | --- |
| | |
| | |
| | |
| | |

উত্তৰঃ ছাত্ৰ-ছাত্ৰীয়ে নিজে চেষ্টা কৰা ।